**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 2-04-2024
**Time :** 1715 Hrs.

***ASSAMESE REGIONAL EVENING BULLETIN***

**:::::::::::::::::::::::::::::::::::**

## HEADLINES

অহা ১৯ এপ্ৰিলত ৰাজ্যখনৰ ৫টা সমষ্টিত হ'বলগীয়া প্ৰথম পৰ্যায়ৰ নিৰ্বাচনৰ দিন চমু চাপি অহাৰ পৰিপ্ৰেক্ষিতত বিভিন্ন ৰাজনৈতিক দলে ব্যাপক প্ৰচাৰ অব্যাহত ৰাখিছে। বিজেপিৰ নেতা তথা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি কাজিৰঙা লোকসভা সমষ্টিৰ দলীয় প্ৰাৰ্থী কামাখ্যা প্ৰসাদ তাছাৰ হৈ গোলাঘাট জিলাৰ বৰপথাৰত **বিজয় সংকল্প যাত্ৰা**ত অংশ লয়। এই সভাত বিধায়ক বিশ্বজিৎ ফুকন, সাংসদ বীৰেন্দ্ৰ প্ৰসাদ বৈশ্য আৰু বিটিআৰৰ মুৰব্বী প্ৰমোদ বড়োৱেও অংশগ্ৰহণ কৰে। মুখ্যমন্ত্ৰীয়ে আজি দ্বিতীয় পৰ্যায়ত অহা ২৬ এপ্ৰিলত নিৰ্বাচন হ'বলগীয়া ডিফু সমষ্টিৰ বিজেপি প্ৰাৰ্থী অমৰ সিং তিছোৰ হৈ ডিফু চৰকাৰী বালক উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আয়োজিত এখন প্ৰচাৰ সভাত অংশ লয়। তেওঁ নিজৰ ভাষণত বিৰোধী দলক সমালোচনা কৰি বিজেপি প্ৰাৰ্থীগৰাকীক জয়ী কৰিবলৈ ৰাইজৰ প্ৰতি আহ্বান জনায়। ইপিনে, চৰাইদেউ জিলাৰ মাহমৰা বিধানসভা সমষ্টিৰ অন্তৰ্গত অঞ্চলসমূহত আজি যোৰহাট লোকসভা সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী তপন কুমাৰ গগৈয়ে প্ৰচাৰ চলায়। তেওঁ জজোলী পাঁচআলি, কচুমাৰী আৰু ডবাতিনিআলি প্ৰেক্ষাগৃহত আয়োজিত নিৰ্বাচনী প্ৰচাৰ সভাত অংশ লয়। এই সভাকেইখনত ভালেসংখ্যক লোকে বিজেপিত যোগ দিয়ে। আটাইকেইখন সভাতে ৰাজ্যৰ মন্ত্ৰী যোগেন মহন উপস্থিত থাকে। বিত্তমন্ত্ৰী অজন্তা নেওগে আজি তপন কুমাৰ গগৈৰ হৈ মৰিয়নী সমষ্টিৰ চিন্তামণি গাঁও পঞ্চায়তত প্ৰচাৰ চলায়।

তৃতীয় পৰ্যায়ত ৭ মে'ত হ'বলগীয়া নিৰ্বাচনত বৰপেটা লোকসভা সমষ্টিৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী, অসম গণ পৰিষদৰ নেতা ফণীভূষণ চৌধুৰীয়ে আজি বৰপেটা আৰু পাকা বেতবাৰীৰ কেইবাটাও স্থানত প্ৰচাৰ চলায়।

একেদৰে তৃতীয় পৰ্যায়ত নিৰ্বাচন হ'বলগীয়া কোকৰাঝাৰ লোকসভা সমষ্টিৰ ইউ পি পি এলৰ প্ৰাৰ্থী জয়ন্ত বসুমতাৰীৰ সমৰ্থনত আজি চিৰাং জিলাৰ বিজনীত মটৰ চাইকেল সমদল উলিওৱা হয়।

ইপিনে, যোৰহাট সমষ্টিৰ কংগ্ৰেছ দলৰ প্ৰাৰ্থী গৌৰৱ গগৈয়ে প্ৰচাৰ অব্যাহত ৰাখিছে। প্ৰাৰ্থীগৰাকীয়ে আজি পুৱাৰ ভাগত শিৱসাগৰৰ জয়সাগৰত থকা প্ৰবীণ ক্ৰীড়াবিদ অৰ্জুন ভোগেশ্বৰ বৰুৱাৰ বাসগৃহত উপস্থিত হৈ তেওঁৰ সৈতে সৌজন্যমূলক মত-বিনিময় কৰে। ৰাজ্যৰ অন্যান্য প্ৰান্তত এ আই ইউ ডি এফ, আম আদমী পাৰ্টি, তৃণমূল কংগ্ৰেছ, চিপিআই (এম)কে ধৰি ৰাজনৈতিক দলসমূহে নিজৰ নিজৰ দলীয় প্ৰাৰ্থীৰ সমৰ্থনত প্ৰচাৰ অব্যাহত ৰাখিছে।

০০০০০

ৰাজ্যত ২৬ এপ্ৰিলত হ'বলগীয়া দ্বিতীয় পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে এতিয়ালৈকে চাৰিগৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰিছে। ডিফু সমষ্টিৰ বাবে আজি বিজেপি প্ৰাৰ্থী অমৰ সিং তিছোৱে মনোনয়ন দাখিল কৰে। প্ৰাৰ্থীগৰাকীয়ে কাৰ্বি আংলং নিৰ্বাচনী জিলাৰ ৰিটাৰ্ণিং বিষয়া মথুমিতা ভাগৱতীৰ হাতত মনোনয়ন দাখিল কৰে। মনোনয়ন দাখিলৰ সময়ত কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাং, ডিমা হাছাও স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য দেৱলাল গাৰ্লোচাৰ লগতে ভালেসংখ্যক ব্যক্তি উপস্থিত থাকে।

নগাঁও সংসদীয় সমষ্টিত এতিয়ালৈকে দুগৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰে। জিলা আয়ুক্ত তথা নিৰ্বাচনী ৰিটাৰ্ণিং বিষয়াৰ কাৰ্যালয়ত কালি বিয়লি অসম জন মৰ্চাৰ প্ৰাৰ্থী ছাইফুল ইছলাম চৌধুৰীয়ে মনোনয়ন দাখিল কৰিছিল। আজি শিখা শৰ্মা নামৰ মহিলা গৰাকীয়ে নিৰ্দলীয় প্ৰাৰ্থী হিচাপে মনোনয়ন দাখিল কৰে। অৱশ্যে এই সমষ্টিটোৰ পৰা বিজেপি মিত্ৰজোঁট আৰু কংগ্ৰেছ দলৰ প্ৰাৰ্থীয়ে এতিয়ালৈ মনোনয়ন দাখিল কৰা নাই। কালি শিলচৰ সমষ্টিত এগৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰিছিল।

উল্লেখযোগ্য যে, দ্বিতীয় পৰ্যায়ত ২৬ এপ্ৰিলত দৰং-ওদালগুৰি, ডিফু, কৰিমগঞ্জ, শিলচৰ আৰু নগাঁও সমষ্টিত নিৰ্বাচন অনুষ্ঠিত হ'ব। এই পৰ্যায়ৰ বাবে মনোনয়ন দাখিলৰ অন্তিম দিন ৪ এপ্ৰিল ধাৰ্য্য কৰা হৈছে। অহা ৫ এপ্ৰিলত মনোনয়ন পৰীক্ষা কৰা হ'ব আৰু ৮ এপ্ৰিল হ'ব মনোনয়ন প্ৰত্যাহাৰৰ অন্তিম দিন।

ooooo

আসন্ন লোকসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত যোৰহাট নিৰ্বাচনী জিলাত এবছেণ্টি ভোটদাতাসকলৰ বাবে গৃহ ভোটদানৰ ব্যৱস্থা কৰা হৈছে। যোৰহাট লোকসভা সমষ্টিত প্ৰথম পৰ্যায় অৰ্থাৎ ১৯ এপ্ৰিলত অনুষ্ঠিত হ'বলগীয়া ভোট গ্ৰহণৰ বাবে কাইলৈৰ পৰা ৫ এপ্ৰিললৈকে এবছেণ্টি ভোটদাতাসকলৰ গৃহ ভোটদান প্ৰক্ৰিয়া অব্যাহত থাকিব। উল্লেখযোগ্য যে ৮৫ বছৰৰ উৰ্ধৰ ভোটদাতা আৰু বিশেষভাৱে সক্ষম ভোটদাতাসকলক এবছেণ্টি ভোটদাতাৰ তালিকাত সন্নিৱিষ্ট কৰি ঘৰতে ভোটগ্ৰহণৰ ব্যৱস্থা কৰা হৈছে। এই ব্যৱস্থাৰ অধীনত যিসকল ব্যক্তিয়ে 12-D প্ৰ-পত্ৰ পূৰণ কৰিছে, তেওঁলোকে উল্লেখ কৰা ঠিকনাত প'লিং বিষয়াসকল উপস্থিত হৈ পোষ্টেল বেলটৰ জৰিয়তে ভোটদান সাব্যস্ত কৰা হ'ব। এই প্ৰক্ৰিয়াত প্ৰতিগৰাকী এবছেণ্টি ভোটদাতাৰ ঘৰলৈ এজন সূক্ষ্ম পৰ্যৱেক্ষক, দুগৰাকী প'লিং বিষয়া, এজন ভিডিঅ' গ্ৰাফাৰ আৰু দুগৰাকী আৰক্ষী যাব আৰু নিৰ্ধাৰিত প্ৰক্ৰিয়া অনুসৰি ভোটদাতাগৰাকীয়ে ভোটদান সাব্যস্ত কৰিব পাৰিব। উল্লেখযোগ্য যে প্ৰতিগৰাকী এবছেণ্টি ভোটদাতাক সুৰক্ষিতভাৱে নিজৰ ভোটদানৰ অধিকাৰ সাব্যস্ত কৰাৰ ক্ষেত্ৰত সুবিধা প্ৰদানৰ উদ্দেশ্যে ভাৰতৰ নিৰ্বাচন আয়োগে এই পদক্ষেপ গ্ৰহণ কৰিছে।

ooooo

ৰাজ্যৰ ক্ৰিকেটৰ ক্ষেত্ৰখনত দক্ষ ক্ৰিকেট খেলুৱৈ সৃষ্টিৰ বাবে অসম ক্ৰিকেট সংস্থাৰ অধীনৰ ক্ৰিকেট একাডেমীসমূহৰ মাজত বৰপেটাত অনুষ্ঠিত ১৪ বছৰ অনুৰ্ধ আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ বৰপেটা মণ্ডলৰ চূড়ান্ত খেলখনত আজি বৰপেটা জিলা দল বিজয়ী হয়। এই জয়ৰ ফলত বৰপেটা জিলা দলটোৱে গুৱাহাটীত অনুষ্ঠিত হ'বলগীয়া চূড়ান্ত পৰ্যায়ৰ লীগ খেলত অংশগ্ৰহণৰ সুযোগ লাভ কৰিছে। উল্লেখযোগ্য যে অসম ক্ৰিকেট সংস্থাৰ প্ৰথমগৰাকী সাধাৰণ সম্পাদক পুলিন দাসৰ স্মৃতিত সংস্থাটোৱে এই প্ৰতিযোগিতা অনুষ্ঠিত কৰিছে।

ooooo